৭

তৃতীয় পৰিচ্ছেদ

# ভীমৰাও ৰামজী আম্বেদকাৰ
# Bhimrao Ramjee Ambedkar
## (1891-1956)

ভীমৰাও ৰামজী আম্বেদকাৰ আধুনিক ভাৰতৰ এজন বিশিষ্ট আইনজ্ঞ, সংস্কাৰক আৰু ৰাজনৈতিক নেতা আছিল। তেওঁ ১৮৯১ চনত বোম্বাই (মুম্বাই) চহৰৰ ওচৰৰ এখন সৰু গাৱঁত জন্মগ্ৰহণ কৰিছিল। আম্বেদকাৰে মহাৰ সম্প্ৰদায়ৰ এটি পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। মহাৰ জাতিটো মহাৰাষ্ট্ৰৰ এটা অস্পৃশ্য সম্প্ৰদায় আছিল।

ভীমৰাও মহাৰ সম্প্ৰদায়ৰ লোক হোৱাৰ বাবে তেওঁ সৰুৰে পৰা বহুতো অসুবিধা আৰু লাঞ্ছনা ভোগ কৰিবলগীয়া হয়। হিন্দু সমাজৰ উচ্চবৰ্গৰ মানুহৰ পৰা তেওঁ বহুতো ধৰণৰ তিৰস্কাৰ আৰু অ-মানৱীয় ব্যৱহাৰ সহ্য কৰিবলগীয়া হৈছিল। তেওঁ বহুতো অসুবিধাৰ মাজেদি প্ৰাইমেৰী শিক্ষা শেষ কৰে আৰু তাৰ পিছত চাতাৰা উচ্চ ইংৰাজী স্কুলত নাম লগায়। তেওঁ হাইস্কুলত পঢ়োতে বহুতো যাতনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁক শ্ৰেণীত আন ল'ৰাৰ লগত একে বেঞ্চত বাহিবলৈ দিয়া নহৈছিল। আম্বেদকাৰে উচ্চ জাতৰ ল'ৰাৰ সৈতে মিলা-মিছা কৰিব নোৱাৰিছিল। তেওঁক নিজে হাতত গিলাচ লৈ কলৰ পৰা পানী খাবলৈ নিদিছিল।

স্কুলৰ শিক্ষকে আম্বেদকাৰৰ পঢ়া-শুনাৰ প্ৰতি কোনো যত্ন নলৈছিল। তেওঁ লিখা বহীখনো শিক্ষকে স্পৰ্শ নকৰিছিল। তেওঁক নিজৰ ইচ্ছা অনুসৰি বিষয় বাছি পঢ়িবলৈ দিয়া নহৈছিল। আম্বেদকাৰৰ সংস্কৃত পঢ়াৰ প্ৰতি ধাউতি আছিল। কিন্তু সংস্কৃত দেৱভাষা হোৱাৰ কাৰণে আম্বেদকাৰক এই ভাষা পঢ়িবলৈ দিয়া নহৈছিল। সেয়েহে তেওঁ সংস্কৃতৰ পৰিৱৰ্তে পাৰ্চি ভাষা পঢ়িবলগা হৈছিল। এইদৰে দুখ-কষ্টৰ মাজেদি আম্বেদকাৰে স্কুলীয়া শিক্ষা শেষ কৰিছিল।

সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ এলফিনষ্টোন কলেজত কলেজীয়া শিক্ষা গ্ৰহণ কৰে। এই কলেজত অধ্যয়ন কৰি তেওঁ কলা বিষয়ত স্নাতক উপাধি লাভ কৰে। তেওঁ কলেজীয়া শিক্ষা গ্ৰহণ কৰোতে বৰোদাৰ মহাৰজাই তেওঁক আৰ্থিকভাৱে সহায় কৰিছিল। কলেজীয়া শিক্ষা শেষ কৰি আম্বেদকাৰ উচ্চশিক্ষাৰ বাবে আমেৰিকালৈ গৈছিল।

আম্বেদকাৰে আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত উচ্চশিক্ষা গ্ৰহণ কৰিছিল। ইয়াতো তেওঁক বৰোদাৰ ৰজাই আৰ্থিক সাহায্য দিছিল। তেওঁ এই বিশ্ববিদ্যালয়ৰ পৰা এম. এ. আৰু পি. এইচ. ডি. ডিগ্ৰী লাভ কৰাৰ পিছত লণ্ডনলৈ যায়। তেওঁ বৰোদাৰ মহাৰজাৰ আৰ্থিক সহায়ত London School of Economics-ৰ পৰা এম. এছ. ছি. আৰু ডি. এছ. ছি.



Scanned by CamScanner

গ্ৰহণ কৰা হিন্দুধৰ্মৰ নীতি-নিয়মবিলাক। এই নীতি-নিয়মৰ দ্বাৰা পৰিচালিত সমাজৰ সকলো ক্ষেত্ৰতে ব্ৰাহ্মণসকলৰ প্ৰতিপত্তি দেখিবলৈ পোৱা যায়।

আম্বেদকাৰৰ মতে ব্ৰাহ্মণবাদীসকলেই হ'ল অস্পৃশ্যতা নীতিৰ মূল স্ৰষ্টা। এওঁলোকৰ দূৰ অভিসন্ধিৰ ফলতেই যুগ যুগ ধৰি অস্পৃশ্যসকলে নানা যন্ত্ৰণা সহ্য কৰি জীৱন-যাপন কৰিবলগা হৈছে। ব্ৰাহ্মণবাদে দলিত জনসাধাৰণক সকলো সা-সুবিধাৰ পৰা বঞ্চিত কৰিছে। এওঁলোকে দলিতসকলক মানুহ হিচাপে জীয়াই থকাৰ নূন্যতম সা-সুবিধাখিনিৰ পৰাও বঞ্চিত কৰি ৰাখিছে। সেয়েহে আম্বেদকাৰে ব্ৰাহ্মণবাদৰ বিৰুদ্ধে উঠি-পৰি লাগিছিল।

আম্বেদকাৰে ব্ৰাহ্মণবাদী সমাজত নানা দিশত কেনেকৈ দুৰ্ভোগ ভুগিবলগা হৈছিল সেইবিলাক তেওঁ লিখা গ্ৰন্থবিলাকত লিখি থৈ গৈছে। আম্বেদকাৰৰ ব্যক্তিগত জীৱনতো সেইবিলাক লাঞ্ছনাৰ আমি যথেষ্ট উদাহৰণ পাইছো। আম্বেদকাৰে অতীতৰ আইন প্ৰণেতাসকলকো কঠোৰভাৱে সমালোচনা কৰিছে। আনকি তেওঁ মনুকো এই ক্ষেত্ৰত ৰেহাই দিয়া নাই। পুৰণি আইন-প্ৰণেতাসকলে নীতি-নিয়ম ৰচনা কৰি অনৈক্য আৰু শোষণৰ বিষ সমাজত বিস্তাৰ কৰি থৈ গৈছে যাৰ ফলত উচ্চবৰ্গৰ হিন্দুৱে সকলো সা-সুবিধা ভোগ কৰিব পাৰে আৰু দলিতসকলক সকলো ক্ষেত্ৰতে সমান অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে।

দলিতসকলক শোষণ কৰিবৰ বাবে ব্ৰাহ্মণবাদে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি আম্বেদকাৰে মন্তব্য কৰিছে। তেওঁৰ মতে ব্ৰাহ্মণবাদত কপটতা, নিষ্ঠুৰতা, ঠেক মনোবৃত্তি, বিকৃত চিন্তাধাৰা আদি দেখা যায়। আম্বেদকাৰে কৈছে যে ব্ৰাহ্মণবাদ হ'ল পিছপৰা আৰু অস্পৃশ্য জনসাধাৰণক সামাজিকভাৱে শোষণ কৰাৰ এটা প্ৰধান আহিলা। ব্ৰাহ্মণবাদে হিন্দু সমাজক এটা বিকৃত ৰূপ দিছে বুলি আম্বেদকাৰে ধাৰণা কৰিছে।

আম্বেদকাৰ ব্ৰাহ্মণবাদৰ যে এজন ঘোৰ বিৰোধী আছিল তাৰ প্ৰমাণ পোৱা যায় তেওঁ হিন্দু ধৰ্ম ত্যাগ কৰি বৌদ্ধ ধৰ্ম গ্ৰহণ কৰাত। তেওঁ হিন্দু ধৰ্ম ত্যাগ কৰাৰ মূল কাৰণ হ'ল ইয়াত ব্ৰাহ্মণবাদৰ প্ৰাধান্য। গতিকে তেওঁৰ মতে হিন্দু সমাজক ব্ৰাহ্মণবাদীসকলৰ আধিপত্যৰ পৰা মুক্ত কৰিব নোৱাৰিলে অস্পৃশ্যসকলক মুক্ত কৰা সম্ভৱপৰ নহ'ব। ব্ৰাহ্মণবাদৰ প্ৰতি তেওঁৰ ইমানেই বিদ্বেষ আছিল যে তেওঁ তেওঁৰ প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত এজনী কুলীন ব্ৰাহ্মণ ছোৱালীক বিয়া কৰাই আত্মসন্তুষ্টি লাভ কৰিছিল। ব্ৰাহ্মণবাদী নীতিবিলাকক দমন কৰিবৰ বাবে আম্বেদকাৰে আজীৱন সংগ্ৰাম কৰিছে আৰু এই ক্ষেত্ৰত যথেষ্ট পৰিমাণে কৃতকাৰ্য হৈছে।

Scanned by CamScanner

# আম্বেদকাৰৰ সমাজবাদৰ ধাৰণা
## (Ambedkar's Concept of Socialism)

সমাজবাদীসকলৰ মতে মানুহৰ জীৱনত পাৰ্থিৱ সম্পদে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। তেওঁলোকে ৰাজনৈতিক আৰু সামাজিক সংস্কাৰতকৈ অৰ্থনৈতিক সংস্কাৰৰ ওপৰত অধিক প্ৰাধান্য দিয়ে। তেওঁলোকৰ মতে মানুহৰ আশা-আকাংক্ষা, কাৰ্য-কলাপ অকল অৰ্থনৈতিক জীৱনৰ সৈতে জড়িত। এতেকে সমাজবাদীসকলে অৰ্থনৈতিক দিশৰ পৰা সমাজৰ ব্যাখ্যা কৰিব বিচাৰে। আম্বেদকাৰে এই সম্পৰ্কে বেলেগ মত প্ৰকাশ কৰিছে।

আম্বেদকাৰে কৈছে যে অৰ্থনৈতিক উদ্দেশ্যই মানুহৰ একমাত্ৰ উদ্দেশ্য নহয়। ইয়ে অকল মানুহক কাম কৰিবলৈ উদগনি নিদিয়ে। ইয়াৰ অন্তৰালত অন্যান্য কাৰণো আছে। অৰ্থনৈতিক ক্ষমতাক একমাত্ৰ ক্ষমতা বুলি ক'ব নোৱাৰি। ইয়াৰ বাহিৰেও ক্ষমতাৰ অন্যান্য উৎস আছে।

আম্বেদকাৰৰ মতে সামাজিক মৰ্যাদাই মানুহক ক্ষমতা প্ৰদান কৰিব পাৰে। তেখেতে ব্যক্তিৰ সামাজিক মৰ্যাদাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। সামাজিক মৰ্যাদাই যে ব্যক্তিৰ ক্ষমতা আৰু কৰ্তৃত্বৰ উৎস সেইটো ভালদৰে ভাৰতৰ সমাজব্যৱস্থাত পৰিলক্ষিত হয়। ভাৰতীয় সমাজব্যৱস্থাত যিসকল লোকৰ সামাজিক মৰ্যাদা নাই তেওঁলোকৰ ক্ষমতা আৰু কৰ্তৃত্বও নাই।

Scanned by CamScanner

তাৰোপৰি ভাৰতবৰ্ষৰ নিচিনা এখন দেশত ধৰ্মও যে ক্ষমতাৰ এক উৎস সেই বিষয়েও আম্বেদকাৰে মত প্ৰকাশ কৰিছে। আম্বেদকাৰৰ মতে ধৰ্ম, সামাজিক মৰ্যাদা আৰু সম্পত্তি এই আটাইবিলাকেই ক্ষমতা আৰু কৰ্তৃত্বৰ উৎস। এইবিলাকৰ দ্বাৰা এজন ব্যক্তিয়ে আন ব্যক্তিৰ স্বাধীনতাক নিয়ন্ত্ৰণ কৰিব পাৰে। আম্বেদকাৰৰ মতে ইতিহাসৰ অৰ্থনৈতিক ব্যাখ্যাৰ আৱশ্যক নাই। অকল অৰ্থনীতিৰ সহায়ত ইতিহাসৰ ব্যাখ্যা কৰিব নোৱাৰি।

আম্বেদকাৰে ক'ব বিচাৰে যে ভাৰতবৰ্ষৰ পটভূমিত সামাজিক সংস্কাৰ নকৰাকৈ অৰ্থনৈতিক ব্যৱস্থাৰ সংস্কাৰ কৰিব নোৱাৰি। সমাজবাদীসকলে এই কথাটো ভালদৰে বিবেচনা কৰা উচিত। প্ৰকৃত সমাজবাদীয়ে সমাজবাদক এটা ব্যৱহাৰিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা বিচাৰ কৰিব লাগিব। আম্বেদকাৰৰ মতে সমাজবাদৰ এটা ব্যৱহাৰিক কাৰ্যসূচী থকা উচিত। এই কাৰ্যসূচী এয়ে যে সমাজৰ পৰা এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ ওপৰত কৰা শোষণ, দুৰ্ব্যৱহাৰ আৰু দমন নীতিক আঁতৰাব লাগিব।

সমাজবাদীসকলে কল্পনা কৰা অৰ্থনৈতিক সংস্কাৰ সাধন কৰিবলৈ হ'লে এক বিপ্লৱৰ প্ৰয়োজন। বিপ্লৱ বা বিদ্ৰোহৰ দ্বাৰা শ্ৰমিকসকলে ক্ষমতা দখল কৰিব লাগিব। এই উদ্দেশ্য সাধনৰ বাবে দুখীয়াসকলে সংযুক্ত মৰ্চা গঠন কৰিব লাগিব। কিন্তু এই মৰ্চা গঠন কৰা সম্ভৱ হ'ব যেতিয়া সমাজত কুসংস্কাৰে সৃষ্টি কৰা উচ্চ-নীচ, ভেদাভেদ ভাব আদিক আঁতৰ কৰিব পৰা যাব। যেতিয়ালৈকে সমাজৰ পৰা বিভেদকামী শক্তিবিলাকক দমন কৰিব নোৱাৰি, তেতিয়ালৈকে সমাজবাদী আদৰ্শৰ সমাজ আৰু ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা সম্ভৱপৰ নহয়।

আম্বেদকাৰৰ মতে সমাজবাদৰ লক্ষ্য অকল অৰ্থনৈতিক সমতা প্ৰতিষ্ঠা কৰাটোৱে নহয়। এনে সমাজত কোনো ধৰণৰ বৈষম্যমূলক ৰীতি-নীতি থাকিব নালাগিব যাৰ জৰিয়তে কিছুমান মানুহে আন কিছুমান মানুহক সদায় হেয় জ্ঞান কৰিব আৰু শোষণ কৰিব। এতেকে দেখা যায় যে আম্বেদকাৰে প্ৰথমে জাতিভেদ প্ৰথাক আঁতৰ কৰা আৰু অস্পৃশ্যতাক বৰ্জন কৰাৰ ওপৰত প্ৰাধান্য দিছে। তাৰ পিছতহে সমাজবাদী সমাজ গঠন কৰা সম্ভৱপৰ হ'ব।

## আম্বেদকাৰৰ আদৰ্শ সমাজ
## (Ideal Society of Ambedkar)

আম্বেদকাৰে এখন "আদৰ্শ সমাজ" প্ৰতিষ্ঠা কৰাৰ কল্পনা কৰিছিল। তেওঁৰ "আদৰ্শ সমাজ"-ৰ ভেঁটি হ'ল স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ব। তেওঁৰ মতে এখন "আদৰ্শ সমাজ" গতিশীল হোৱা উচিত। এনে সমাজত সকলোৰে মাজত মুক্ত যোগাযোগৰ পৰিবেশ থাকিব। ইয়াত কোনো ভেদাভেদ ভাব নাথাকিব। ইয়াকে তেওঁ ভ্ৰাতৃত্ব বুলি কৈছে। তেওঁৰ মতে গণতন্ত্ৰ হ'ল ভ্ৰাতৃত্বৰ আন এটি নাম।

আম্বেদকাৰে কৈছে যে গণতন্ত্ৰ অকল এবিধ শাসনব্যৱস্থা নহয়। ই হ'ল সমূহীয়াকৈ জীৱন-যাপন কৰাৰ এক উপায়। গণতন্ত্ৰত সংযুক্ত আৰু মুক্ত যোগাযোগৰ পৰিবেশ বিৰাজ কৰে। গণতন্ত্ৰত নাগৰিকসকলে ইজনে সিজনৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধাৰ ভাব পোষণ কৰে।

Scanned by CamScanner

...য়ে হ'ল স্বাধীনভাৱে জীৱন-ধাৰণ কৰাৰ এক নিদৰ্শন। এনে ধৰণৰ স্বাধীনতাৰ কোনেও ...তিবাদ কৰিব নোৱাৰে। এই স্বাধীনতাৰ বিৰোধিতা কৰাকে দাসত্ব বোলে। সমাজত বসবাস ...ৰা সকলো জনসাধাৰণে বিভিন্ন ক্ষেত্ৰত স্বাধীনতা ভোগ কৰিব পাৰিব। আদৰ্শ সমাজত ...কোনেও কাকো নিয়ন্ত্ৰণ নকৰিব। সকলোৱে তেওঁলোকৰ স্বাধীনতাক অবাধে ভোগ কৰিব ...াৰিব। আম্বেদকাৰৰ "আদৰ্শ সমাজৰ" আন এটা ভিত্তি হ'ল সমতা। সমাজত থকা সকলো ...নুহক বিভিন্ন ক্ষেত্ৰত সমতাৰ অধিকাৰ ভোগ কৰিবলৈ দিয়া হ'ব। তেওঁৰ মতে ফৰাচী ...বৰ আটাইতকৈ উৎকৃষ্ট অংশ আছিল 'সমতা'। যিকোনো সমাজত সমতাক শাসন-নীতি ...হিচাপে গ্ৰহণ কৰা উচিত। এনে কিছুমান সহজ নীতি উদ্ভাৱন কৰা উচিত যাৰ জৰিয়তে ...কলো মানুহে সমান সুযোগ-সুবিধা ভোগ কৰিবলৈ পায়। "আদৰ্শ সমাজ" প্ৰতিষ্ঠা কৰিবলৈ ...লে সকলোৰে মত, বিশ্বাস, স্বাধীনতা আৰু স্বাৰ্থক সাব্যস্ত কৰিব লাগিব। এয়ে হ'ল "আদৰ্শ সমাজ" গঠনৰ আৰম্ভণি।

আম্বেদকাৰে তেওঁৰ দিনত প্ৰচলিত ভাৰতীয় সমাজব্যৱস্থাত বহুতো বেমেজালি দেখিবলৈ ...াইছিল। সেই সমাজত সকলো মানুহে একে ধৰণৰ সা-সুবিধা পোৱা নাছিল। তেওঁলোকে ...লদৰে স্বাধীনতাক ভোগ কৰিব নোৱাৰিছিল। তাৰোপৰি জাতিভেদ প্ৰথা আৰু অস্পৃশ্যতাই ...মাজক একেবাৰে জুৰুলা কৰি পেলাইছিল। মানুহৰ মাজত ভ্ৰাতৃত্ববোধ নাছিল। কিছুমান ...নুহক সমান সুযোগ-সুবিধাৰ পৰা বঞ্চিত কৰা হৈছিল। সেয়েহে আম্বেদকাৰে এনে এখন ...মাজ গঠন কৰিব বিচাৰিছিল য'ত স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ব বিৰাজ কৰিব। সকলোৱে ...মিলাপ্ৰীতিৰে এনে সমাজত বসবাস কৰিব পাৰিব।

Scanned by CamScanner